# অধ্যায় ২ ঃ অসমীয়া ভাষাৰ ব্যাকৰণৰ কেইটামান বিশেষ দিশ — ২

## অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ চন্দ্রবিন্দুৰ ব্যৱহাৰ
২.৪ ণত্ববিধি আৰু ষত্ববিধি
২.৫ যতিচিহ্ন
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্রগতিৰ খতিয়ান
২.৯ আৰ্হি প্রশ্ন

## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া ভাষাত চন্দ্রবিন্দু ক'ত ক'ত ব্যৱহাৰ হয় সেই সম্পর্কে অৱগত হ'ব
- অসমীয়া ভাষাৰ ণত্ববিধি আৰু ষত্ববিধিৰ বিষয়ে ধাৰণা লাভ কৰিব
- অসমীয়া ভাষাত যতিচিহ্ন কেনেদৰে ব্যৱহাৰ হয় সেই বিষয়ে জ্ঞান আহৰণ কৰিব।

## ২.২ পৰিচয়

এইটো ব্যৱহাৰিক অসমীয়া শীর্ষক আন্তঃবিভাগীয় পাঠ্যবিষয়টিৰ দ্বিতীয়টো অধ্যায়। ইয়াতো আপুনি অসমীয়া ভাষাৰ ব্যাকৰণৰ দুটামান দিশ অধ্যয়ন কৰিব। ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া ভাষাৰ আখৰ, ধ্বনি আৰু বর্ণ/আখৰ, বর্ণ আৰু ধ্বনিৰ সম্পর্ক, অসমীয়া ধ্বনি, উপধ্বনি আৰু তাৰ শ্রেণীবিভাজন, বিশিষ্ট ধ্বনি বা বর্ণ: বিশিষ্ট স্বৰধ্বনি, বিশিষ্ট ব্যঞ্জনধ্বনি আদিৰ বিষয়ে অধ্যয়ন কৰিলে। তাৰ জৰিয়তে আপুনি অসমীয়া ব্যাকৰণৰ কেইটিমান নির্দিষ্ট দিশ সম্পর্কে অৱগত হ'ল। অসমীয়া ভাষাৰ কালিকা জানিবলৈ হ'লে আৰু কেইটিমান দিশ অধ্যয়ন কৰিব লাগিব। সেয়ে এই অধ্যায়টোত চন্দ্রবিন্দুৰ ব্যৱহাৰ, ণত্ববিধি আৰু ষত্ববিধি তথা অসমীয়া ভাষাত কি দৰে যতিচিহ্নৰ প্রয়োগ কৰা হয় সেই বিষয়ে বহলাই আলোচনা কৰা হ'ব।

## ২.৩ চন্দ্রবিন্দু (ঁ) ৰ ব্যৱহাৰ

কাহ আৰু কাঁহ — এই শব্দ দুটাৰ অর্থ বেলেগ বেলেগ। 'কাহ' মানে ডিঙিৰ সুৰসুৰণি

নিৰাময়ৰ বাবে জোৰকৈ বতাহ ভিতৰৰ পৰা ঠেলা কার্য। 'কাঁহ' এবিধ ধাতু। দুয়োটা শব্দৰ মাজত অর্থ আৰু উচ্চাৰণৰ পার্থক্য সৃষ্টি কৰিছে চন্দ্রবিন্দু ( ঁ) টোৱে। আমি আগতেই পাই আহিছোঁ এনেদৰে অর্থ পৰিৱর্তন কৰিব পৰা ধ্বনিবোৰেই বিশিষ্ট ধ্বনি বা বর্ণ। গতিকে চন্দ্রবিন্দু অসমীয়া ভাষাৰ এটা স্বতন্ত্র ধ্বনি বা বর্ণ। সেইবাবেই পাঁচ (সংখ্যা বুজাবলৈ) আৰু পাচ (অৱস্থান বুজাবলৈ) শব্দ দুটাৰ অর্থৰ পার্থক্য হৈছে।

মন কৰক, 'ক' 'আ' বা 'হ'-ৰ দৰে ' ঁ' টোক সুকীয়াকৈ উচ্চাৰণ কৰিব নোৱাৰি। চন্দ্রবিন্দু সদায় স্বৰধ্বনি এটাৰ লগতহে উচ্চাৰণ হয়। ওপৰৰ উদাহৰণ দুটাত (কাঁহ আৰু পাঁচ) আ-ৰ লগত চন্দ্রবিন্দুটো একেলগে উচ্চাৰিত হয়।

ধ্বনি উচ্চাৰণত হাওঁফাওঁৰ বায়ুপ্রৱাহ মুখেৰে ওলাই যোৱাৰ কথা ওপৰত আলোচনা কৰা হৈছে। কিন্তু চন্দ্রবিন্দুৰ ক্ষেত্রত বায়ুপ্রৱাহ মুখৰ লগতে নাকেৰেও ওলাই যায়। মানে, পাঁচ আৰু কাঁহ শব্দৰ আঁ ধ্বনিটো উচ্চাৰণ কৰোঁতে বায়ুপ্রৱাহ নাকেৰেও ওলাই যায়। সেয়ে আঁ ধ্বনিটোক অনুনাসিক (নাকেৰে বায়ুপ্রৱাহ ওলাই গৈ উচ্চাৰণ হোৱা) ধ্বনি বোলে। চন্দ্রবিন্দুটোৱে স্বৰধ্বনিৰ এই অনুনাসিকতাকে বুজায়।

অসমীয়া ভাষাৰ প্রথম পুৰুষৰ ক্রিয়াপদবোৰত সদায় চন্দ্রবিন্দু থাকে। যেনে — মই কৰোঁ/খাওঁ/গৈছিলোঁ/ ইত্যাদি। এই চন্দ্রবিন্দুটো আচলতে ১ম পুৰুষৰ ক্রিয়াবিভক্তি -'ওঁ' -ৰ পৰা আহিছে। একেদৰে -ওঁতে লগলগা ক্রিয়াপদবোৰতো চন্দ্রবিন্দু ব্যৱহাৰ কৰিব লাগে। যেনে— খাওঁতে, কৰোঁতে, ইত্যাদি।

দ্বিতীয় পুৰুষৰ 'তুমি', 'তোমালোক'- কর্তাযুক্ত অনুজ্ঞা ক্রিয়া বা নিত্য বর্তমান কালৰ ক্রিয়াবিলাকত চন্দ্রবিন্দু ব্যৱহাৰ হয। যেনে—তুমি/তোমালোক- যোৱাঁ, খোৱাঁ, গোৱাঁ, লোৱাঁ, হোৱাঁ, কৰাঁ, ইত্যাদি। কিন্তু মন কৰিব এই ক্রিয়াবিলাকৰ অসমাপিকা ৰূপটোৰ লগত চন্দ্রবিন্দু ব্যৱহাৰ নহয়। যেনে—তুমি গোৱা গানটো; বানে ধোৱা পথাৰ, হাতে বোৱা কাপোৰ, তুমি কৰা ভুলবোৰ ইত্যাদি।

অসমীয়া ভাষাৰ ঞ, ম, ন, ঙ (ং), আৰু ণ — এই ব্যঞ্জনধ্বনিৰ উচ্চাৰণ সদায় অনুনাসিক, অর্থাৎ নাসিক্য ধ্বনি।সেইবাবে ইহঁতৰ ওপৰত চন্দ্রবিন্দু লিখাৰ কোনো প্রয়োজন নাই।

চন্দ্রবিন্দু স্বৰবর্ণযুক্ত শব্দৰ লগত যুক্ত হ'লে মুখ্য ৰূপত থকা স্বৰ বর্ণটোৰ ওপৰত বহে, যেনে — আঁঠু, আঁউসী, ওঁঠ, অঁহীয়া, ইত্যাদি। কিন্তু স্বৰবর্ণটো গৌণ ৰূপত থাকিলে স্বৰবর্ণ সংযুক্ত ব্যঞ্জনবর্ণটোৰ ওপৰত বহে। যেনে — সঁচা, কাঁইট, তিয়ঁহ, দাঁত ইত্যাদি ।

সংস্কৃত মূলৰ পৰা অহা অসমীয়া শব্দ আৰু সেই মূল সংস্কৃত শব্দটোত যদি কোনো নাসিক্য বর্ণ থাকে, তেনেহ'লে সেই নাসিক্য বর্ণৰ আগৰ ব্যঞ্জন বর্ণটোৰ ওপৰত চন্দ্রবিন্দু বহে । যেনে—

| **সংস্কৃত** | **অসমীয়া** |
|---|---|
| দন্ত | দাঁত |
| কণ্টক | কাঁইট |

সীমন্ত সেঁওতা

বাংশী বাঁহী

অঞ্চল আঁচল — ইত্যাদি।

এটা ক্রিয়াৰ সমাপ্তিবাচকভাৱে আন এটা ক্রিয়া যদি সম্পন্ন হয়, তেনেহ'লে 'ওঁতে' প্রত্যয় ব্যৱহাৰ হয় — এই প্রত্যয়ৰ ও-ৰ ওপৰত সদায় চন্দ্রবিন্দু ব্যৱহাৰ হয় । যেনে— মই যাওঁতে তেওঁ শুই আছিল। বহোঁতে , উঠোঁতে , দেখোঁতে , লিখোঁতে , খাওঁতে, গাওঁতে —ইত্যাদি। বাক্যত ব্যৱহাৰ হ'লে এনেকুৱা হ'ব—

কথা কওঁতে বা লিখোঁতে, সদায় উচ্চাৰণ আৰু বানানলৈ মন দিবা।

কিন্তু নামোতে, শুনোতে— এনেকৈহে হয়। কাৰণ ম আৰু ন স্বাভাৱিকতেই নাসিক্য। আকৌ কোনো ক্রিয়াৰ কর্তাজনক বুজাবলৈ ব্যৱহাৰ কৰা 'ওঁতা' প্রত্যয় সদায় চন্দ্রবিন্দুযুক্ত হয়। যেনে— কৰোঁতা, দেখোঁতা, ৰচোঁতা, লিখোঁতা— ইত্যাদি। ইয়াতো— শুনোতা, নামোতা শুদ্ধ ৰূপ।

অসমীয়া ভাষাত ব্যৱহাৰ হোৱা বহুবচনসূচক 'হঁত' প্রত্যয়ৰ 'হ'ৰ ওপৰত চন্দ্রবিন্দু ব্যৱহাৰ হয়। যেনে— ল'ৰাহঁত, ছোৱালীহঁত, সিহঁত ইত্যাদি ।

'ঞ' বর্ণটোৰ উচ্চাৰণ 'য়ঁ' ৰ দৰে। গতিকে তলৰ কথাকেইটা মনত ৰাখিব লাগে— জিঞা—জিয়াঁ, ভূঞা— ভূয়াঁ, চিঞৰ— চিয়ঁৰ —আদি শব্দবোৰৰ দুয়োটা বানান শুদ্ধ; কিন্তু চিঞঁৰ বুলি লিখিলে ভুল হ'ব — কাৰণ ঞ-টো অনুনাসিক।

খাওক, যাওক, হওক, লিখক আদি অনুজ্ঞাসূচক, আদেশসূচক শব্দত চন্দ্রবিন্দু নালাগে। মন কৰিবলগীয়া কথা যে, অসমীয়া ভাষাত চন্দ্রবিন্দুৰ ব্যৱহাৰে শব্দৰ অর্থও পৃথক কৰিব পাৰে। যেনে— কাঁচ (দাপোন), কাচ্ (সাজ পাৰ কৰা); আঁহ (ফল-মূল, গছ আদিৰ ভিতৰত থকা সূতাৰ দৰে অংশ), আহ (আমন্ত্রণ কৰা); বাঁহ (এবিধ গছ), বাহ (চৰাইৰ ঘৰ); আঁহত (এবিধ গছ), আহত (আঘাত পোৱা); ভাঁজ (কোণ, পাক), ভাজ (ৰান্ধ) ইত্যাদি।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** ঙ, ন, ম যুক্ত ক্রিয়াত 'চন্দ্রবিন্দু' প্রয়োগ হয়নে?

.....

.....

## ২.৪ ণত্ববিধি আৰু ষত্ববিধি

'ন' আৰু 'ণ'ৰ উচ্চাৰণ একে যদিও আখৰ বেলেগ। সেয়ে ইহঁতৰ প্রয়োগো বেলেগ। সেই বাবে য'ত 'ন' লিখিব লাগে তাত 'ণ' লিখিব নোৱাৰি। একেদৰে য'ত 'ণ' লিখিব লাগে তাত 'ন' লিখিব নোৱাৰি। কোনবোৰ শব্দত 'ণ' প্রয়োগ হ'ব তাৰ কিছুমান নিয়ম আছে। এই

নিয়মবোৰকে ণত্ববিধি বোলা হয়। কেতিয়াবা আখৰ বা ধ্বনিৰ অৱস্থানভেদে 'ন' 'ণ'লৈ পৰিৱৰ্তন হয়। এই নিয়মবোৰ তলত দাঙি ধৰা হ'ল—

- ঋ, ৰ, ষ-ৰ পাছত সাধাৰণতে 'ণ' প্ৰয়োগ হয়। যেনে— ঋণ, হৰণ, কাৰণ, কৃষাণ ইত্যাদি।
- ঋ, ৰ, ষ-ৰ পাছত স্বৰবৰ্ণ থাকিলে অথবা ক বৰ্গ, ট বৰ্গৰ যিকোনো বৰ্ণ থাকিলে নাইবা য, ৱ, হ বা অনুস্বৰ (ং) থাকিলে তাৰ পাছত 'ণ' প্ৰয়োগ হয়। যেনে— পাষাণ, বৰুণ, কৃপণ, গ্ৰহণ, শ্ৰবণ, আপ্ৰাণ, ইত্যাদি।
- ট বৰ্গৰ কোনো বৰ্ণৰ সৈতে যুক্ত হ'লেও 'ন' 'ণ' হয়। যেনে— কণ্টক, পিণ্ড, ইত্যাদি।
- আন বৰ্ণ মাজত নাথাকিলে 'গ'ৰ পাছত থকা 'ন' 'ণ' হয়। যেনে— গণ, গণিত, ইত্যাদি।
- প্ৰ, পূৰ্ব, পৰ, অপৰ শব্দৰ পাছত থকা 'অহ্ন' শব্দৰ 'ন' 'ণ' হয়। যেনে— প্ৰাহ্ণ, পূৰ্বাহ্ণ, অপৰাহ্ণ, পৰাহ্ণ, ইত্যাদি।
- প্ৰ, পৰা, পৰি, নিৰ আদি উপসৰ্গৰ পাছত থকা নম্, নী, নু ধাতুৰ 'ন' 'ণ' হয়। যেনে— প্ৰণাম, প্ৰণিপাত, প্ৰমাণ, পৰিণাম, ইত্যাদি।
- পৰ, পৰা, উত্তৰ, চান্দ্ৰ, নাৰ, ৰাম আদি শব্দৰ পাছত থকা অয়ন শব্দৰ 'ন' 'ণ' হয়। যেনে— উত্তৰায়ণ, পৰায়ণ, ৰামায়ণ, নাৰায়ণ, চন্দ্ৰায়ণ, ইত্যাদি।
- যুক্ত ব্যঞ্জনৰ পাছত থকা 'ন' সাধাৰণতে 'ণ' হয়। যেনে— দক্ষিণ, ভক্ষণ, ইত্যাদি।
- দুটা শব্দ লগ লাগি এটা নাম বুজালে আগৰ শব্দত থকা ঋ, ৰ, ষ-ৰ পাছৰ শব্দত থকা 'ন' 'ণ' হয়। যেনে— শূৰ্পণখা, অক্ষৌহিণী, ইত্যাদি।
- কেতবোৰ শব্দৰ পাছত আনি, ইনি আদি ন-যুক্ত প্ৰত্যয় যোগ হ'লে 'ন' 'ণ'লৈ পৰিবৰ্তিত হয়। যেনে— আৱশ্যণি, ভৱণি, তৰণি, ইত্যাদি।
- কিছুমান শব্দত স্বাভাৱিকতে মুৰ্ধন্য 'ণ' হয়। যেনে— নিপুণ, কল্যাণ, পণ, বাণিজ্য, কণিকা, ইত্যাদি।

ণত্ববিধিৰ নিচিনাকৈ ষত্ববিধিও হ'ল 'ষ' বৰ্ণ প্ৰয়োগ হোৱাৰ নিয়ম। তলত এই নিয়মবোৰ দাঙি ধৰা হ'ল—

- অ আৰু আ স্বৰবৰ্ণৰ বাহিৰে অন্য স্বৰবৰ্ণ, 'ক' অথবা 'ৰ'ৰ পাছত ব্যৱহাৰ হোৱা প্ৰত্যয়ৰ 'স' 'ষ' হয়। যেনে— বহিষ্কৃত, জিজ্ঞাষ, ভৱিষ্যৎ, ইত্যাদি।
- ঋ-কাৰৰ পাছত 'ষ' প্ৰয়োগ হয়। যেনে— বৃষভ, পৃষ্ঠা, ঋষি, ইত্যাদি।
- 'ট' বৰ্ণৰ লগত 'ষ' হয়। যেনে— কষ্ট, ষষ্ঠ, আকৃষ্ট, ইত্যাদি।
- উ-কাৰান্ত আৰু ই-কাৰান্ত উপসৰ্গৰ পাছৰ ধাতুৰ প্ৰথম বৰ্ণ 'স' হ'লে 'ষ' লৈ পৰিবৰ্তন হয়। যেনে— নিষেধ, অনুষ্ঠান, ইত্যাদি।
- বি, সু, নিৰ্ আৰু দুৰ, উপসৰ্গযুক্ত 'সম্' শব্দৰ 'স' মুৰ্ধণ্য 'ষ' হয়। যেনে— সুষম, বিষম, ইত্যাদি।
- ভূমি, গো, অঙ্গু আৰু যুধি শব্দৰ পাছত থকা 'স্থা' ধাতুৰ 'স' মুৰ্ধণ্য 'ষ' হয়। যেনে— ভূমিষ্ঠ, যুধিষ্ঠিৰ, ভীষ্ম, ইত্যাদি।

- প্ৰথম শব্দৰ শেষত বিসৰ্গ আৰু দ্বিতীয় শব্দৰ আৰম্ভণিত ট বা ছ থাকিলে কেতিয়াবা বিসৰ্গৰ ঠাইত 'ষ' হয়। যেনে — ধনুঃ + টঙ্কাৰ = ধনুষ্টকাৰ।
- কিছুমান শব্দত স্বাভাৱিকতে 'ষ' হয়। যেনে— বৰ্ষা, কৰ্ষণ, ভূষণ, পাষাণ, বিষ, ঊষা, পুৰুষ, বিশেষণ, বিশেষ্য, কৃষক, ইত্যাদি।



**জানি থোৱা ভাল**

সাধাৰণতে বিদেশী শব্দবোৰত ণত্ববিধি আৰু ষত্ববিধিৰ নিয়ম মানি চলা নহয়। যেনে— কোৰান/কোৰাণ, ইৰান, জাপান, জার্মান, সস্তা, ষ্টেলিন/স্তেলিন, টলষ্টয়/তলস্তয়, ইত্যাদি।



**অগ্রগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ২ ঃ** ট বৰ্গৰ কোনো বৰ্ণৰ সৈতে ন যুক্ত হ'লে 'ণ' হয় — কথাষাৰ শুদ্ধ নে?

.....

**প্ৰশ্ন নং ৩ ঃ** কোন কেইটা ভুল নিৰ্ণয় কৰক — নিসেধ, অনুষ্ঠান, সুষম, বিসম।

.....

## ২.৫ যতিচিহ্ন

আমি মনৰ ভাব প্ৰকাশ কৰিবলৈ কথা কওঁতে শব্দ বা বাক্য চয়নত গুৰুত্ব দিও। শ্ৰোতা আৰু পৰিৱেশ অনুসৰি শব্দ আৰু বাক্য ব্যৱহাৰ কৰোঁ। প্ৰকাশ কৰা ভাব স্পষ্ট কৰিবলৈ যিদৰে শব্দৰ উচ্চাৰণৰ ক্ষেত্ৰত ভিন্নতা প্ৰকাশ কৰোঁ, একেদৰেই শব্দৰ মাজত কিছু সময় বিৰতি লওঁ। এই দৰে প্ৰকাশ কৰা মনৰ ভাব লিখি প্ৰকাশ কৰাৰ ক্ষেত্ৰত বাক্যবোৰৰ উপযুক্ত অৰ্থ প্ৰকাশৰ বাবে কিছুমান চিন বা চিহ্ন, যেনে— কমা (,), দাৰি ( ।) আদি ব্যৱহাৰ কৰোঁ। এই চিনবোৰকে যতিচিহ্ন বোলা হয়। অৰ্থাৎ কোৱা কথা বা লিখাত বিৰতিৰ বাবে যি সাংকেতিক চিহ্নৰ ব্যৱহাৰ কৰা হয় তাকে যতি বা বিৰাম চিহ্ন বুলি কোৱা হয়। বাক্যত যতি চিহ্নৰ গুৰুত্ব বহু বেছি। তলৰ সাধাৰণ উদাহৰণকেইটিলৈ মন কৰকচোন—

তুমি আজি গুৱাহাটীলৈ যাবা। (সাধাৰণ বাক্য, আদেশসূচক, অনুৰোধসূচক)

তুমি আজি গুৱাহাটীলৈ যাবা! (বক্তাই আশ্চৰ্য প্ৰকাশ কৰিছে, আনন্দ কৰিছে এনে সুৰত)

তুমি আজি গুৱাহাটীলৈ যাবা? (বক্তাই প্ৰশ্ন কৰিছে)

**তুমি** আজি গুৱাহাটীলৈ যাবা? (ইয়াত বল্ড কৰি শব্দত জোৰ দিয়া বুজোৱা হৈছে। তেৱেই যাবনে সুধিছে ইয়াত তেওঁক গুৰুত্ব দিছে )

তুমি **আজি** গুৱাহাটীলৈ যাবা? (ইয়াত আজিয়ে যাবনে সেয়া জানিব বিছাৰিছে)

তুমি আজি **গুৱাহাটীলৈ যাবা**? (ইয়াত গুৱাহাটিলৈকে যাবনে আন ক'ৰবালৈ যাব এই সুৰত)

আপুনি নিশ্চয় ধৰিব পাৰিছে যে একে কেইটা শব্দৰেই আটাইকেইটা বাক্য বক্তাই কৈছে যদিও প্রত্যেক বাক্যৰ কিন্তু সুৰ আৰু তাৰ অর্থ বেলেগ বেলেগ। ইয়াত অর্থ স্পষ্ট হৈছে— বাক্যৰ শেষত থকা যতিচিনবিলাকৰ পৰা আৰু উচ্চাৰণৰ সময়ত দিয়া শব্দৰ জোৰৰ পৰা। গতিকে উচ্চাৰণৰ জোৰ আৰু যতিচিন বাক্যত কিমান গুৰুত্ব থাকিব পাৰে সেয়া আপুনি নিশ্চয়কৈ ধৰিব পাৰিছে ।

অসমীয়া যতিচিনবিলাক ইংৰাজীৰ দৰে একেই, ব্যৱহাৰো ইংৰাজীৰ দৰে; কিন্তু কেতিয়াবা দুই এটা ব্যতিক্রম ৰূপতো দেখিবলৈ পোৱা যায়। সাধাৰণতে ব্যৱহাৰ হোৱা যতিচিনসমূহ হ'ল—

কমা (,)
চেমিকোলন (;)
দাৰি (।)
প্রশ্নবোধক চিন (?)
ভাববোধক চিন (!)
ডেচ চিন (-)
ক'লন চিন (ঃ)
হাইফেন (—)
ঊধ্ব কমা ("...")
বন্ধনী চিন ( )
ডট চিন (...) ইত্যাদি ।

- **ক'মা (,)** ঃ পঠন বা লিখনত সামান্য বিৰামৰ প্রয়োজনত, শব্দ পৃথক কৰিবলৈ, বাক্যাংশ পৃথক কৰিবলৈ, দীঘল জটিল বাক্যৰ সংযোগৰ বাবে আৰু সংলাপৰ ক্ষেত্রত ক'মা বা লঘু যতি ব্যৱহাৰ কৰা হয়। তলৰ উদাহৰণকেইটা মনকৰক —

  দোকানখনত কলম, কিতাপ, বাতৰিকাকত আদি সজাই থোৱা আছিল।

  নগৰৰ ব্যস্ত ৰাস্তালৈ চাওক, আকাশলৈ চাওক, ওখ বিশাল ঘৰবিলাকলৈ চাওক তাৰ পাছত ভাবক।

  ভাস্কৰ আহিব বুলি গোটেই দেওবাৰটো বাট চালোঁ, কিন্তু নাহিল।

  মানুহখিনিয়ে ভঙা দলংখন মেৰামতি কৰিবলৈ যত্ন কৰিছে, কিন্তু পাৰিবগৈ জানো!

  ৰামে ক'লে, "তুমি ইমান হতাশ নহ'বা।"

- **দাৰি (।)** ঃ কোনো বাক্য শেষ হ'লে দাৰি ব্যৱহাৰ কৰা হয়। যেনে— সূর্যৰ পৰা আমি তাপ আৰু পোহৰ পাওঁ।

- **ক'লন (ঃ)** ঃ কথাৰ গুৰুত্ব আৰু সংযোগ বুজাবৰ বাবে দুটা প্ৰসংগৰ মাজত ক'লন ব্যৱহাৰ কৰা হয়। উদ্ধৃতি এটাও লিখোতে ক'লন ব্যৱাহৰ হয়। যেনে — তালৈ যাওতে লৈ যাবলগীয়া বস্তুকেইপদ ঃ কলম, পেঞ্চিল, ৰবৰ, কাগজ, মোনা ইত্যাদি।
  মহাত্মা গান্ধীয়ে কৈছিল ঃ "অহিংসাই পৰম ধৰ্ম।"
- **ছেমিক'লন (;)** ঃ ক'মাতকৈ বেছি সময় কিন্তু পূৰ্ণ বিৰতি নহয়, তেনে ক্ষেত্ৰত এই চিন ছেমিকোলন ব্যৱহাৰ কৰা হয়। আকৌ বাক্যত যদি ইতিমধ্যে ক'মা আছে তেতিয়া দুটা বাক্যাংশ পৃথক কৰিবলৈ চেমিক'লন ব্যৱাহৰ হয়। যেনে— মানুহে জীয়াই থাকিবৰ বাবে বিদ্যা লাভ কৰে, ধন-সম্পত্তি আৰ্জে, চাকৰি কৰে, আনন্দ কৰে, ফুৰিবলৈও যায়; তেনেকৈয়ে জীৱন উদযাপন কৰে।
  বজাৰত ফলৰ ভিতৰত লিচু, কমলা, কল; পাচলিৰ ভিতৰত বিলাহী, পটলকেইটাহে অলপ ভাল।
- **ডেছ (—)** ঃ কোনো বাক্যৰ মাজত থকা খণ্ডবাক্যৰ সৈতে আন এটাৰ সম্বন্ধ বুজাবৰ বাবে, ভাবসমূহক একত্ৰিত কৰি এটা মন্তব্য দিবলৈ, বাক্যৰ মাজত ভাবৰ পৰিৱৰ্তন কৰিবলৈ ডেছ ব্যৱহাৰ কৰা হয়। যেনে —
  বিতোপনেই সেইটো ল'ৰা— যি ৰতনক পানীৰ পৰা তুলি আনিছিল ।
  ধান, মৰাপাত, মাটিমাহ — এইবোৰ খেতি আমাৰ ঠাইবিলাকত ভাল হয় ।
  আমি মানুহ— মানৱীয়তাবোধ ক্ৰমে নোহোৱা হৈছে — জীৱ-জন্তুৰ বিলাই বিপত্তিত আমাৰ মন নগলে কিয়?
- **হাইফেন (-)** ঃ দুটা বা ততোধিক পদৰ মাজত থকা সম্পৰ্ক বুজাবলৈ হাইফেন ব্যৱহাৰ হয়। যুৰীয়া শব্দ বা শব্দসমষ্টিৰ ক্ষেত্ৰত, কোনো বিশেষণ বিশেষভাৱে বুজাবৰ বাবে হাইফেনৰ দিয়া হয়। লিখোতে সোঁহাতে শেষ নোহোৱা ভাঙি যোৱা শব্দ একেটা বুজাবলৈ হাইফেন ব্যৱহাৰ হয়। যেনে — জা-জলপান,খা-খবৰ, বা-মাৰলী, জোন-বেলি-তৰা, লাই-লফা আদি।
  প্ৰাক-স্বাধীনতা
  উত্তৰ-ঔপনিৱেশিক
  মাক-দেউতাকে শিশুক বহু যত্নেৰে প্ৰতিপালন কৰে। গালি-গালাজ কৰা-
  তকৈ শিশুক মৰমেৰে প্ৰতিপালন কৰিব লাগে।
- **ভাববোধক চিন (!)** ঃ মানুহৰ মনৰ আশ্চৰ্য, ভয়, খং, অনন্দ এনে ভাব, চিন্তা, আৱেগ অনুভূতিৰ বুজোৱা শব্দ আৰু বাক্যৰ শেষত ভাববোধক চিন ব্যৱহাৰ কৰা হয়। যেনে— হায়! হায় ! এয়ে মানুহৰ জীৱন। মোৰ লগত কিয় এনেকুৱা হয়! কিয়?
- **প্ৰশ্নবোধক চিন (?)** ঃ পোনপটীয়াকৈ প্ৰশ্ন অৱতাৰণা কৰা বাক্যৰ শেষত প্ৰশ্নবোধক চিন ব্যৱহাৰ কৰা হয়। যেনে— তোমাৰ নামটো কি? আমাৰ আলোচনাবিলাক আপুনি বুজি পাইছেনে?

- **ঊর্ধ্বকমা** (’ ) ঃ শব্দৰ মাজত কোনো ধ্বনি উচ্চাৰণ লুপ্ত হৈ অন্য এটা ধ্বনি -অ বা -ওৰ দৰে হয়। সেই ধ্বনি বুজাবৰ বাবে ঊর্ধ্বকমা ব্যৱহাৰ হয়। শব্দৰ এটা বর্ণ উহ্য থাকিলেও ঊর্ধ্বকমাৰে লিখা হয়। যেনে — ব’ল, হ’ল, ক’ব, অক’মান।

  বাক্যৰ মাজৰ শব্দ বিশেষক বুজাবলৈ, কিতাপ, লেখা, কবিতাৰ শিৰোনাম লিখিবলৈ এই ঊর্ধ্বকমা ব্যৱহাৰ হয়। যেনে — এইবোৰ কথা ‘গুৰুত্ব’ নিদিবা বুলি কৈ হালিমে মোক যাবলৈ ইংগিত দিলে। যোৱা বছৰৰ ‘গৰীয়সী’ৰ কোনোবা এটা সংখ্যাত এইবিষয়ক লেখা এটি প্রকাশ পাইছিল।

- **যুৰীয়া ঊর্ধ্বকমা, উদ্ধৃতি চিন** (“...”) ঃ আনৰ কথা, লিখা আদি অবিকলভাৱে হ’লে অর্থাৎ প্রত্যক্ষ উক্তিৰ ক্ষেত্রত এই যুগ্ম ঊর্ধ্বকমা ব্যৱহাৰ কৰা হয়। যেনে— ৰবীনে ক’লে, “মোৰ ঘৰ গোলাগাটত।”

- **বন্ধনী চিন** () ঃ সাধাৰণতে বাক্য এটাৰ মাজত ক’বলগীয়া প্রাসংগিক কথা, তথ্য বন্ধনীৰ ভিতৰত লিখা হয়। পাঠ এটাৰ বিষয় বা শ্রেণীবিভাগ দাঙি ধৰোঁতে ক্রমিক হিচাপে বন্ধনী ব্যৱহাৰ বেচিকৈ চকুত পৰে। উদাহৰণস্বৰূপে—

  মই সেইবিষয়ে আপোনালৈ লিখা চিঠি (২২ মে ২০২২) ত উল্লেখ কৰিছোঁ।

  যতিচিনৰ কেইটামান উদাহৰণ হৈছেঃ (ক) দাৰি, (খ) কমা, (গ) ডেছ ইত্যাদি।

  বিষ্ণুৰাভাৰ (১৯০৯- ১৯৬৯) গীতত তেখেতৰ বিপ্লৰী সত্তাৰ উমান আমি পাওঁ।

- **অব্লিক** (/) ঃ দুটা শব্দ বা বাক্যৰ যিকোনো এটাক সূচাবলৈ অব্লিক চিন ব্যৱহাৰ কৰা দেখা যায়। উদাহৰণস্বৰূপে — গাখীৰ/পানী কিবা এটা আনিলেই হ’ল। চিঠি/ফোন/মেইলত দিব পাৰিব।

- **ডট চিন** (...) ঃ কোনো বাক্য অসম্পূর্ণকৈ ৰাখিবলৈ তিনিটা ডট চিন (...) ব্যৱহাৰ কৰা যায়। মন কৰিব যে এই ডট চিনৰ সংখ্যা তিনিটাহে, তাতকৈ বেছি দিব নালাগে। উদাহৰণস্বৰূপে — ভাতৰ লগতে...

  ঠিক সেইদৰে দীঘলীয়া উদ্ধৃতি দিওতে মাজৰ কথাখিনি নিলিখিবলৈ তিনিটা ডট চিন (...) ব্যৱহাৰ কৰি এটা স্পেচ এৰি পুনৰ তিনিটা ডট চিন (...) দি পৰৱর্তী কথাখিনি লিখা হয়। উদাহৰণস্বৰূপে— “অসম দেশ ভাৰতৰ উত্তৰ-পূর্বাঞ্চলত অৱস্থিত।... ...কাজিৰঙা অভয়াৰণ্য গড়ঁৰ বাবে বিখ্যাত।”



**চিন্তা-চর্চা কৰক —২.১**

এতিয়া আপুনি তলৰ দফাটোত উপযুক্ত ঠাইত যতিচিনসমূহ দিবলৈ যত্ন কৰকচোন— যদিও শানসকলে নিজৰ পৰিচয় টাই বুলি দিছিল তেওঁলোকক ৰাজ্যখনৰ খিলঞ্জীয়া লোকসকলৰ মাজত আসাম আসম আৰু কেতিয়াবা অচম হিচাপে জনাজাত

আছিল নতুন অসমীয়া শব্দ আহোম যাৰ দ্বাৰা আজিৰ টাইসকলক জনা যায় আসাম অথবা আসমৰ পৰা উৎপত্তি হোৱা কালক্রমত শাসকসকলৰ কাৰণে প্রয়োগ কৰা নাম ৰাজ্যৰ নামলৈ পৰিবর্তিত হ'ল কামৰূপৰ নাম সলনি হৈ প্রথমে আসাম আৰু পিছলৈ সংস্কৃতকৰণৰ ফলত অসম হয় গৈ যাৰ অর্থ হ'ল অসমকক্ষ অসমান বা অসমান্তৰাল

— সত্যেন্দ্রনাথ শর্মা



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৪ ঃ** কেতিয়া যুৰীয়া ঊর্ধ্বকমা চিন ব্যৱহাৰ কৰা হয়?

.....

.....



## ২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চন্দ্রবিন্দুও অসমীয়া ভাষাৰ স্বতন্ত্র বর্ণ। ই শব্দৰ অর্থ সলনি কৰিব পাৰে। চন্দ্রবিন্দু মানে স্বৰধ্বনিৰ অনুনাসিকতা। অধ্যায়টিত অসমীয়া ভাষাত কেতিয়া কেতিয়া চন্দ্রবিন্দুৰ প্রয়োগ কৰা হয় সেই বিষয়ে বহলাই আলোচনা কৰা হ'ল।
- ন' আৰু 'ণ'ৰ উচ্চাৰণ একে যদিও আখৰ বেলেগ। সেয়ে ইহঁতৰ প্রয়োগো বেলেগ। সেই বাবে য'ত 'ন' লিখিব লাগে তাত 'ণ' লিখিব নোৱাৰি। একেদৰে য'ত 'ণ' লিখিব লাগে তাত 'ন' লিখিব নোৱাৰি। কোনবোৰ শব্দত 'ণ' প্রয়োগ হ'ব তাৰ কিছুমান নিয়ম আছে। এই নিয়মবোৰকে ণত্ববিধি বোলা হয়। ণত্ববিধিৰ নিচিনাকৈ ষত্ববিধিও হ'ল 'ষ' বর্ণ প্রয়োগ হোৱাৰ নিয়ম। এই নিয়মবোৰৰ বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।
- প্রকাশ কৰা মনৰ ভাব লিখি প্রকাশ কৰাৰ ক্ষেত্রত বাক্যবোৰৰ উপযুক্ত অর্থ প্রকাশৰ বাবে কিছুমান চিন বা চিহ্ন, যেনে— কমা (,), দাৰি (।) আদি ব্যৱহাৰ কৰোঁ। এই চিনবোৰকে যতিচিহ্ন বোলা হয়। অর্থাৎ কোৱা কথা বা লিখাত বিৰতিৰ বাবে যি সাংকেতিক চিহ্নৰ ব্যৱহাৰ কৰা হয় তাকে যতি বা বিৰাম চিহ্ন বুলি কোৱা হয়। বাক্যত যতি চিহ্নৰ গুৰুত্ব বহু বেছি। অধ্যায়টোত অসমীয়া ভাষাত সততে প্রয়োগ হোৱা কিছু সংখ্যক যতিচিহ্নৰ কথা উদাহৰণসহ আলোচনা কৰা হ'ল।



## ২.৭ অধিক জানিবলৈ

১) কটকী, প্রফুল্ল (২০০৫); *সাহিত্য-সংজ্ঞা কোষ;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) গোস্বামী, উপেন্দ্রনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৩) গোস্বামী, দীনেশ চন্দ্র (২০২২); *অসমীয়া ভাষাৰ শিক্ষণ শিকাৱৰ হাতপুথি;* গুৱাহাটী ঃ অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আর্থ-সামাজিক ন্যাস।

৪) নেওগ, মহেশ্বৰ (২০১৯); *নিকা অসমীয়া ভাষা;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৫) ডেকা আৰু ডেকা (২০০৯); *ৰচনা প্রবাহ;* গুৱাহাটী।

৬) ডেকা, ধর্মসিংহ (২০০৭); *ৰচনা বিচিত্রা;* গুৱাহাটী।

৭) পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি (১৯৭০); *অসমীয়া আখৰ-জোঁটনি;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৮) ফুকন পাটগিৰি, দীপ্তি (১৯৯৯); *আধুনিক অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বুক হাইভ।

৯) বৰা, সত্যনাথ (১৯৯৮); *বহল ব্যাকৰণ;* গুৱাহাটী।

১০) বৰুৱা, তুলতুল(২০০৮)(সম্পাঃ); *অসমীয়া ৰচনা সংকলন;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টৰ্চ।



## ২.৮ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰ ঃ** নহয়।

**২ নং প্রশ্নৰ উত্তৰ ঃ** শুদ্ধ।

**৩ নং প্রশ্নৰ উত্তৰ ঃ** নিসেধ, বিসম।

**৪ নং প্রশ্নৰ উত্তৰ ঃ** আনৰ কথা, লিখা আদি অবিকলভাৱে হ'লে অর্থাৎ প্রত্যক্ষ উক্তিৰ ক্ষেত্রত এই যুগ্ম ঊর্ধ্বকমা ব্যৱহাৰ কৰা হয়।



## ২.৯ আৰ্হি প্ৰশ্ন

**বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) চন্দ্ৰবিন্দু স্বৰবৰ্ণযুক্ত শব্দৰ লগত যুক্ত হ'লে কোনটো বৰ্ণৰ ওপৰত বহে?

খ) প্ৰ, পৰা, পৰি, নিৰ আদি উপসৰ্গৰ পাছত থকা নম্, নী, নু ধাতুৰ 'ন' কি হয়?

**চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** চমুটোকা লিখক — ষত্ববিধি

**প্ৰশ্ন ২ ঃ** অসমীয়া ভাষাত ডট চিন (...) কেতিয়া প্ৰয়োগ হয় উদাহৰণসহ লিখক।

**ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ সম্পৰ্কে উদাহৰণসহ লিখক।

**প্ৰশ্ন ২ ঃ** অসমীয়া ভাষাৰ ণত্ববিধি প্ৰয়োগৰ এখন তালিকা যুগুত কৰক।

**প্ৰশ্ন ৩ ঃ** অসমীয়া ভাষাৰ ষত্ববিধি প্ৰয়োগৰ দিশসমূহ উদাহৰণসহ লিখি উলিয়াওক।

**প্ৰশ্ন ৪ ঃ** অসমীয়া ভাষাত সততে ব্যৱহাৰ হোৱা যতিচিহ্নসমূহৰ প্ৰয়োগবিধি সম্পৰ্কে উদাহৰণসহ আলোচনা কৰক।

*** ***** ***